পাঠ ৫

স্ম, প্ল, শ্রু

# মাকণৰ চিঠি

Z7K8F9

স্কুলৰ চৌহদত কাঠ মিস্ত্রি এজনে কাঠৰ আচ্‌বাব্ সাজি আছিল। পানী খোৱা ছুটীৰ পৰত মাকণে মিস্ত্রিজনৰ ওচৰত থিয় হৈ বেঞ্চ সজা কাম চাবলৈ ধৰিলে। সেই সময়তে প্রধান শিক্ষকজন মিস্ত্রিৰ ওচৰলৈ আহিল। তেওঁক দেখি মিস্ত্রিজনে এখিলা কাগজ উলিয়াই দি ক'লে— "ছাৰ, এতিয়ালৈ কৰা কামৰ বাবদ মই পাবলগীয়া পইচাৰ এয়া হিচাপ।" প্রধান শিক্ষকগৰাকীয়ে কাগজখন চাই মিস্ত্রিজনক টকা কেইটামান দিলে। ইয়াকে দেখি মাকণে বিস্ময় মানিলে— ঘৰত দেখোন তায়ো কাম কৰি মাকক সহায় কৰি দিয়ে ; তায়ো তেনেহ'লে মাকৰ পৰা পইচা বিচাৰিব পাৰে দেখোন!

স্কুল ছুটীৰ পাছত মাকণ ঘৰলৈ উভতিল। মাকে বাঢ়ি দিয়া ভাতকেইটা তাই খৰধৰকৈ খালে। ৰাহি হোৱা খোৱা বস্তুখিনি ঢাকি-ঢুকি সামৰি থ'লে। ভাত খোৱা বাচনখিনিও ধুলে আৰু কোঠালিটো সাৰি আঁটালে। তাৰ পাছত মাকণ নিজৰ পঢ়া মেজলৈ গ'ল আৰু এখিলা কাগজত তাই কৰা কামৰ হিচাপ দি মাকলৈ এইবুলি লিখিলে—




কাম কৰিলে যে পইচা পায় মই আজিহে জানিলোঁ। ময়ো ঘৰত কৰা কামৰ বাবে পইচা পাব লাগে। বাচন ধোৱাৰ বাবে এটকা আৰু ঘৰ সৰাৰ বাবে দুটকা, মুঠতে তিনি টকা মোক দিবা। মই আজি কৰা কামৰ বাবদ পাবলগীয়া পইচাৰ হিচাপ দিলোঁ।

মাকণ

কাগজখিলা মাকৰ হাতত দি মাকণে ক'লে— "মা, এয়া মই পাবলগীয়া পইচাৰ হিচাপ" এই বুলি কৈ তাই খেলিবলৈ গ'ল।

সন্ধিয়া মাকণে পঢ়ি থাকোঁতে ভায়েক বিপ্লৱে তাইৰ হাতত চিঠিৰ খাম এটা দি ক'লে— "বাইদেউ, এইটো মায়ে তোমাক দিবলৈ কৈছে।" মাকণে লৰা-লৰিকৈ খামটো খুলি টকা তিনিটা আৰু এখিলা কাগজ পালে। টকাকেইটা পাই তাইৰ বৰ আনন্দ লাগিল। এইবাৰ তাই চিঠিখন পঢ়িবলৈ ধৰিলে—



গুৱাহাটী
তাৰিখ- ২২. ০৪. ২০১২

**মৰমৰ মাকণ,**

মৰম ল'বা। তোমাৰ চিঠিখন পঢ়িলোঁ। ময়ো চিঠিৰ লগতে তোমালৈ মই কৰা কামৰ হিচাপ দিছোঁ ; পঢ়ি চাবা। আগেয়ে চিঠি কেনেকৈ লিখিব লাগে কওঁ শুনাচোন। চিঠিখন যদি তুমি দেউতাৰালৈ লিখা তেনেহ'লে 'পূজনীয়' অথবা 'শ্ৰদ্ধেয়' আৰু যদি মোলৈ লিখা তেনেহ'লে 'পূজনীয়া' অথবা 'শ্ৰদ্ধেয়া' বুলি সম্বোধন কৰি লিখিবা। সৰুলৈ লিখিলে 'মৰমৰ' আৰু বন্ধুলৈ লিখিলে 'প্ৰিয়' বুলি লিখিবা। চিঠিখনৰ ওপৰৰ সোঁহাতৰ কোণত য'ৰ পৰা লিখিছা সেই ঠাইৰ নাম দিবা আৰু তাৰে তলত তাৰিখ লিখিবা। এতিয়া অলপ ঠাই এৰি কুশল-মঙ্গল কামনা কৰি আৰম্ভ কৰিবা। তাৰ পাছত তুমি ক'ব খোজা কথাখিনি আৰু খা-খবৰ জনাবা। লিখা শেষ হ'লে 'ইতি' বুলি লিখি তলত নিজৰ নাম দিবা। চিঠিখন ডাক-ঘৰৰ জৰিয়তে পঠিয়াব খুজিলে সেইখন খামত ভৰাই খামটোত আঠা লগাবা। খামৰ ওপৰত মই দেখুওৱা ধৰণেৰে ঠিকনা লিখিবা—



মাননীয়/মাননীয়া, ........................................................ টিকট

অথবা

শ্ৰীযুত/শ্ৰীযুতা/ শ্ৰীমান/শ্ৰীমতী ........................................................

গাঁও/নগৰ ........................................................

ডাক-ঘৰ ........................................................

জিলা ........................................................

পিন ........................................................



খামৰ ওলোটা পিঠিত তোমাৰ নিজৰ নাম আৰু ঠিকনা লিখিবা। ডাক-ঘৰৰ যোগেদি পঠিওৱা চিঠিৰ খামত ডাক-টিকট লগাব লাগে। ডাক-ঘৰৰ পৰা কিনি অনা খামত টিকট লগোৱা থাকে। দোকানৰ পৰা কিনা খামত টিকট লগোৱা নাথাকে। এনে খামত ডাক-ঘৰৰ পৰা টিকট কিনি আনি আঠা লগাই চিঠি পঠিয়াব লাগে। চিঠি লিখাৰ সময়ত এইবোৰ কথা মনত ৰাখিবা। তোমাৰ কামৰ হিচাপৰ টকা তিনিটা ইয়াৰ লগতে পঠিয়ালোঁ। এতিয়া মোৰ কামৰ হিচাপ দিলোঁ আৰু মোক তুমি কি দিব লাগে লিখি পঠিয়ালোঁ।

তোমাক তুলি-তালি আঠবছৰীয়া কৰিলোঁ। কাপোৰ-কানি ধুই দিলোঁ আৰু ভাত ৰান্ধি খুৱালোঁ। তদুপৰি তোমাৰ বেমাৰত টোপনি ক্ষতি কৰি শুশ্ৰূষা কৰিলোঁ। এই কামবোৰৰ বাবে তোমাৰ মৰম আৰু শ্ৰদ্ধাৰ বাহিৰে মোক আন একো নালাগে।

তোমাক মোৰ আশীৰ্বাদ দিলোঁ।

ইতি


তোমাৰ 'মা'

চিঠিখন পঢ়ি মাকণে লাজ পালে আৰু টকা তিনিটা মাকক ঘূৰাই দিলে। মাকৰ পৰা তাই চিঠি কেনেকৈ লিখিব লাগে সেই বিষয়ে জানি বৰ সুখী হ'ল।

**ক্ৰিয়া-কলাপ**

## ক — পাঠভিত্তিক ক্ৰিয়া

**উত্তৰ দিয়া।**



(১) (ক) মিস্ত্ৰিজনে প্ৰধান শিক্ষকক কাগজত কি লিখি দিছিল?

(খ মিস্ত্ৰিজনে স্কুলত কি কাম কৰিছিল?

(গ) প্ৰধান শিক্ষকে মিস্ত্ৰিজনক টকাকেইটামান দিয়া দেখি মাকণে কি ভাবিলে?

(ঘ) কামবোৰৰ বাবে মাকণে মাকৰ পৰা কি বিচাৰিছে?

(২) (ক) স্কুলৰ পৰা আহি মাকণে কি কি কৰিলে?

(খ) মাকে চিঠিত মাকণৰ বাবে কৰা কি কি কামৰ হিচাপ দিছে?

(গ) মাকৰ চিঠিখন পঢ়ি মাকণে কি কি শিকিলে?

**চিঠি লিখোঁতে কালৈ কেনেকৈ সম্বোধন কৰি লিখিবা?**

(ক) মাৰালৈ —

(খ) দেউতাৰালৈ —

(গ) সৰুলৈ —

(ঘ) বন্ধুলৈ —

**চিঠি যালৈ লিখা হয় তেওঁৰ ঠিকনা খামৰ ক'ত লিখিব লাগে?**

**ঠিকনাত কি কি লিখিব লাগে?**



**খামৰ ওলোটা পিঠিত কাৰ ঠিকনা লিখিব লাগে?**

**চিঠি কেনেকৈ পঠিয়াব লাগে লিখা।**

*☛ নিৰীক্ষণৰ পাছত শিক্ষক/শিক্ষয়িত্ৰীৰ চহী*



## খ — ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)



### যুক্তাক্ষৰ ভাঙি পঢ়োঁ আৰু লিখোঁ আহা

বিস্ময়   স্ম   স + ম   সই   মই   স্ম

☞ *তেনেদৰে আন বৰ্ণৰ লগত 'ম' যোগ হোৱা—* স্ম  ন্ম  ক্ম  ত্ম  দ্ম  গ্ম  ল্ম  হ্ম  ষ্ম  শ্ম *ভাঙি শিকাব।*


বিপ্লৱ   প্ল   প + ল   পই   লই   প্ল

☞ *তেনেদৰে আন বৰ্ণৰ লগত 'ল' যোগ হোৱা —* ক্ল  গ্ল  ফ্ল  ব্ল  ম্ল  ল্ল  শ্ল  হ্ল *ভাঙি শিকাব।*

শুশ্ৰূষা   শ্ৰূ   শ + ৰ + ঊ   শই   ৰই   শ্ৰ তাত ঊ কাৰে শ্ৰূ



### যুক্তাক্ষৰ গঠন কৰোঁ আহা




(স + ম)   সই   মই   স্ম

(প + ল)   পই   লই   প্ল

(শ + ৰ + ঊ)   শই   ৰই   শ্ৰ তাত ঊ কাৰে শ্ৰূ



### উদাহৰণটো পঢ়া। তেনেদৰে খালী ঠাইত যুক্তাক্ষৰ লিখি পঢ়োঁ আহা



উদাহৰণ— (__ৰণ) — (স্মৰণ)

স্ম (বিস্ময়)   (বি__ত)   (__াৰক)

প্ল (প্লাৱন)   (__াম)   (ে__গ)

শ্ৰূ (শুশ্ৰূষা)   (শু__যাকাৰিণী)

☞ *নিৰীক্ষণৰ পাছত শিক্ষক/শিক্ষয়িত্ৰীৰ চহী*

## জানি লোৱা

**শু, শূ, শ্ৰ, শ্ৰু, শ্ৰূ — ৰূপ সলনিৰ বিষয়ে জনা**

(ক) **শ**ত উ যোগ হ'লে তাৰ ৰূপ সলনি হৈ শু হয়।

(খ) কিন্তু **শ**ত ঊ যোগ হ'লে তাৰ ৰূপ সলনি নহয়, অৰ্থাৎ শূ হয়।

(গ) **শ**ত ৰ-কাৰ যোগ হ'লে শ্ৰ হয় আৰু তাৰ উচ্চাৰণ 'ছ্ৰ' ৰ দৰে হয়।

(ঘ) শ্ৰ-ৰ লগত উ-কাৰ যোগ হ'লে শ্ৰু বা শ্ৰু— এনেদৰে লিখা হয়। যেনে- শ্ৰুতলিপি।

(ঙ) শ্ৰ-ৰ লগত ঊ-কাৰ যোগ হ'লে শ্ৰূ বা শ্ৰূ— এনেদৰে লিখা হয়। যেনে- শুশ্ৰূষা।

**তলৰ বাক্যত চিন দিয়া শব্দবোৰৰ বিপৰীত অৰ্থ বুজোৱা শব্দবোৰ লিখা।**

স্কুলৰ পৰা আহি ৰীতাই দেখিলে যে ঘৰৰ <u>আগফালৰ</u> দুৱাৰখন <u>বন্ধ</u> হৈ আছে, লৰা-লৰিকৈ তাই <u>কাষতে</u> থকা <u>বাঁওফালৰ</u> <u>সৰু</u> খিৰিকীখন টানি চালে। সেইখনো <u>টান</u>, খুলিব <u>নোৱাৰি</u>। খেলিবলৈ <u>নাপাব</u> বুলি তাইৰ <u>বেজাৰ</u> লাগিল।

<u>পাছফাল</u> ______ ______

______ ______ ______

______ ______ ______

**পাঠটো পঢ়ি পাঠত থকা যুৰীয়া শব্দবোৰ বিচাৰি নিজৰ বহীত লিখা।**

**উদাহৰণ**— লৰা-লৰি



☞ *নিৰীক্ষণৰ পাছত শিক্ষক/শিক্ষয়িত্ৰীৰ চহী*

## শিকোঁ আহা

ইতিমধ্যে তোমালোকে পদ আৰু বাক্যৰ ধাৰণা পাই আহিছা। তলৰ শব্দকেইটালৈ মন কৰা—

**মাকণ, মা, চিঠি, লিখ**— এইবোৰ একোটা একোটা **শব্দ**। শব্দকেইটা একগোট কৰি আমি এনেদৰে লিখিব পাৰোঁ— **মাকণ মা চিঠি লিখ**

— এই শব্দৰ গোটটোৱে সম্পূর্ণ অর্থ প্রকাশ কৰা নাই।

এতিয়া এই শব্দকেইটা যদি আমি এনেদৰে লিখোঁ— **মাকণে মাকলৈ চিঠি লিখিলে** তেতিয়া ই এটা সম্পূর্ণ অর্থ প্রকাশ কৰিব। বাক্যত ব্যৱহাৰ হোৱাৰ লগে লগে শব্দৰ ৰূপৰ কিছুমান সাল-সলনি ঘটে।

**শব্দ আৰু পদৰ মাজত থকা পার্থক্যবিলাক চোৱা আৰু কোৱা।**

| শব্দ | পদ |
|---|---|
| মাকণ | মাকণে, মাকণৰ |
| মাক | মাকলৈ, মাকক |
| চিঠি | চিঠিত, চিঠিৰ |
| লিখ | লিখিছে, লিখিব, লিখিছিল ইত্যাদি |

**ওপৰৰ শব্দবোৰ খটুৱাই আমিও তেনেদৰে তলৰ বাক্য কেইটা লিখোঁ আহা**

মাকণে মাকলৈ চিঠি লিখিছে।

মাকণে মাকলৈ টকাৰ হিচাপ চিঠিত লিখিছিল।


মাকে মাকণলৈ চিঠিত কি লিখিছিল?

মাকণে মাকলৈ চিঠি লিখিব।






এতিয়া তোমালোকে তলৰ শব্দবোৰ খটুৱাই কেইটামান বাক্য লিখা।



ৰহিমলা  জাকৈ  মাছ  ধৰ



উদাহৰণ— ৰহিমলাই জাকৈৰে মাছ ধৰিছে।

.............................................................................

.............................................................................

.............................................................................

.............................................................................



## জানো আহা

প্ৰধান শিক্ষকে মিস্ত্ৰিজনক কাম কৰাৰ বাবে পইচা দিয়া দেখি মাকণৰ মনত উদ্ভৱ হোৱা ভাবটো এনেদৰে প্ৰকাশ কৰিছে— **"কাম কৰিলে যে পইচা পায় মই আজিহে জানিলোঁ। ময়ো ঘৰত কৰা কামৰ বাবে পইচা পাব লাগে।"**

— এই কথাখিনিৰ মাজেৰে মাকণৰ মনৰ ভাব প্ৰকাশ পাইছে। কথাখিনি প্ৰকাশ নকৰা হ'লে আমি মাকণৰ মনৰ ভাবটো বুজি নাপালোঁহেঁতেন।

তেনেদৰে **নিজৰ মনৰ ভাব প্ৰকাশ কৰি লিখা বা কোৱা কথাকে ভাষা বোলে।**

মাকণে কোৱা কথাখিনিকে ঘৰত ককাকে এনেদৰে কয়— **"কাম কল্‌লি পইচা পায় বুলি মই আজিহে জান্‌লু। ময়ো ঘৰোত কৰা কামৰ বাবে পইচা পাবা লাগেহৈ।"**

— এই কথাখিনিৰ মাজেৰেও মনৰ ভাব প্ৰকাশ পাইছে। গতিকে, ইও ভাষা। কিন্তু ই হ'ল ককাকহঁতৰ ঘৰত কোৱা কথিত ভাষা।

— মুঠতে ভাষাৰ দুটা ৰূপ— এটা **ঘৰুৱা** বা **কথিত ভাষা** আৰু আনটো **মান্য** বা **লিখিত ভাষা।**

— মান্য বা লিখিত ভাষা সকলোতে একে, কিন্তু ঘৰুৱা বা কথিত ভাষাটো ঠাই বিশেষে ভিন্ ভিন্।

☛ *কথিত বা ঘৰুৱা আৰু লিখিত বা মান্য ভাষাৰ বিষয়ে স্থানীয় পটভূমিত বুজাই দিব।*

☛ *নিৰীক্ষণৰ পাছত শিক্ষক/শিক্ষয়িত্ৰীৰ চহী*

**মাকণৰ ককাকে কোৱা কথাখিনি তোমাৰ ককা, আইতা বা আন মানুহে ঘৰুৱা ভাষাত কেনেকৈ কয় কোৱা।**



### গ — জ্ঞান সম্প্ৰসাৰণ

**পঢ়োঁ আৰু লিখোঁ আহা**

প্লাম এবিধ বগৰী জাতীয় ফল। ______________________

বিস্ময় মানে আচৰিত। ______________________

ৰুগীয়া লোকক শুশ্ৰূষা কৰিবা। ______________________

**গৰমৰ বন্ধ কেনেকৈ কটালা সেই বিষয়ে জনাই তোমাৰ লগৰীয়া এগৰাকীলৈ এখন চিঠি লিখা।**



**তলৰ বাক্যশাৰী তিনিবাৰকৈ লিখা।**

**আমি ৰোগীক শুশ্ৰূষা কৰোঁ।**

**ভাবা আৰু লিখা।**

(ক) তোমালোকৰ ঘৰৰ কাৰোবাৰ অসুখ হ'লে তুমি কি কি কৰিবা?

(খ) ঘৰৰ ডাঙৰ লোকসকল কোনো কামৰ বাবে বাহিৰলৈ গ'লে ঘৰত তুমি কি কি সাৱধানতা অৱলম্বন কৰিবা?

☞ *নিৰীক্ষণৰ পাছত শিক্ষক/শিক্ষয়িত্ৰীৰ চহী*

সাঁথৰ ভাঙি কওঁ আহা



(ক) মাক জুটুলি-পুটুলি
পুতেক চোকা টেকেলা।

(খ) ৰজাৰ ক'লী গাই
ঘাটে ঘাটে পানী খায়।

## ঘ — প্ৰকল্প



**তোমালোকৰ ঘৰলৈ অহা চিঠি-পত্ৰবোৰ তলত দিয়া ধৰণেৰে ভাগ কৰি এখন এলবাম প্ৰস্তুত কৰা।**



<u>সূচীপত্ৰ</u>

১) বিয়ালৈ নিমন্ত্ৰণ কৰা চিঠি

২) উৎসৱ-পাৰ্বণলৈ নিমন্ত্ৰণ কৰা চিঠি
- বিহু
- পূজা-পাৰ্বণ
- জন্মদিন
- অন্নপ্ৰাসন

৩) অন্যান্য চিঠি-পত্ৰ
- বন্ধু-বান্ধৱীৰ
- মা-দেউতাৰ
- আত্মীয়-কুটুমৰ
- নিজে আনলৈ পঠিওৱা